# স্মৃতিৰ ৰ'দালি

**সম্পাদনা**

জয়ন্ত সোনোৱাল

# স্মৃতিৰ ৰ’দালি

**সম্পাদনা**
জয়ন্ত সোনোৱাল

উদ্ভিদ বিজ্ঞান বিভাগ
**নামৰূপ মহাবিদ্যালয়**

**SMRITIR RODALI** is a book containing articles collected from teachers, employees and students of Botany Department of Namrup College published by Jayanta Sonowal on behalf of Botany Department. Namrup College

Editor

JAYANTA SONOWAL

Published by

Jayanta Sonowal

Publisher address

Jayanta Sonowal

Department of Botany

Namrup College

Printer's details

IQAC, Namrup College

PO-Parbatpur-786623

Dibrugarh, Assam, India

Year of publication: January 2022

Total Page: 58

ISBN- 978-93-5578-874-0

নামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ
পিতৃস্বৰূপ আৰু গোটেই জীৱন এই বিভাগতেই
শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত আত্মনিয়োগ
কৰি কৰ্মজীৱন সামৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু
শ্ৰীযুত বিমল চন্দ্ৰ গগৈ ছাৰৰ হাতত
মৰম আৰু শ্ৰদ্ধাৰে এই গ্ৰন্থখনি উৰ্চগা কৰিলোঁ।

# পাতনি

এজন ব্যক্তিৰ জীৱনত বহু মানুহৰ সৈতে সম্পৰ্ক হয়। নিজৰ আত্মীয়-কুটুম্ব, কৰ্মস্থলী বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত কামৰ দ্বাৰা এই সম্পৰ্কবোৰ গঢ়ি উঠে। সময় বাঢ়ি যায় আৰু চিনাকি মানুহৰ তালিকাখনো দীঘল হৈ যায়। জীৱন বিভিন্ন জ্ঞান আৰু অভিজ্ঞতাই সমৃদ্ধিশালী কৰি তোলে। এটা এনে দিন আহি পৰে য'ত একালৰ সতীৰ্থ, বিভিন্ন ক্ষেত্ৰ আৰু বিভিন্ন সময়ত লগ পোৱা মানুহৰ কথাবোৰে স্মৃতিৰ দুৱাৰত টুকুৰিয়াই অতীতৰ দিনবোৰ সজীৱ কৰি তোলে। মন যায় আকৌ সেই দিনবোৰৰ দৰে অলপ সময় কটাবলৈ কিন্তু সময়ে কেতিয়াবা সেই সুবিধা কৰি নিদিয়ে। সেয়ে শুভাকাঙ্খী কাৰোবাৰ এষাৰ ভাল লগা কথা, ধেমালি-স্ফূৰ্তিবোৰে মনত এক আনন্দৰ শিহঁৰণ তোলে। তেনে এটা উদ্দেশ্য আগত ৰাখিয়েই “স্মৃতিৰ ৰ'দালি” নামৰ সৰু গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱা হৈছে। তাৰোপৰি নামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ আৰু উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লিখাৰ প্ৰতি কিছু অভ্যাস গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

এই গ্ৰন্থখনি প্ৰস্তুত কৰি উলিয়াবলৈ যাওঁতে দৰকাৰ হোৱা লেখনি পঠিঁউৱা সদ্য অৱসৰপ্ৰাপ্ত উদ্ভিদ-বিজ্ঞান বিভাগৰ মূৰব্বী তথা নামৰূপ মহাবিদ্যালয়ক ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বিমল চন্দ্ৰ গগৈ দেৱক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও উদ্ভিদ

বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিভাগৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়ত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আদি সকলোকে এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আশা কৰিছো এই গ্ৰন্থখনিয়ে শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত বিমল চন্দ্ৰ গগৈ দেৱৰ অৱসৰ সময়চোৱাত তেখেতৰ একালৰ মৰমৰ কৰ্মস্থলীখনৰ বিভিন্ন সময়ৰ বিভিন্ন কথা মনত পেলাই তেখেতৰ স্মৃতিৰ আকাশত পোৱাৰ এক কোমল ৰ'দালিৰ দৰে অনুভৱ জগাই তুলিব।

খুউব কম সময়ত লেখনি যোগাৰ কৰি এই গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াওঁতে জ্ঞাতে-অজ্ঞাতে হয়তো ভুল ক্ৰুটি বৈ গৈছে। গতিকে সদাশয় সকলো পাঠকৰ পৰা গঠনমূলক দিহা-পৰামৰ্শৰ লগতে ভুলবোৰ আঙুলিয়াই দিলে আমি নিজকে অধিক সবল ৰূপত পৰৱৰ্তীকালত এনে ধৰণৰ দায়িত্বশীল কাম কৰিবলৈ উৎসাহ পাম।।

# সূচীপত্ৰ


১। নামৰূপ মহাবিদ্যালয়ৰ........বিমল চন্দ্ৰ গগৈ/ ১

২। শ্ৰদ্ধাৰ বিমল চন্দ্ৰ ছাৰলৈ শুভকামনাৰে....জনন্ত সোনোৱাল/ ৮

৩। To Respected……Dr. Urmika Phangchopi/ ১০

৪। গগৈ চাৰ...... দিগন্ত বৰগোহাঁই/ ১১

৫। গগৈ চাৰলৈ প্ৰণাম যাচিলো..... দিব্যধৰ হাতীমূৰীয়া/ ১২

৬। ছাৰলৈ শুভকামনা যাচিলোঁ.... প্ৰিয়ঙ্কা গগৈ/ ১৪

৭। চাৰলৈ একলম...... সহদেৱ সাহ/ ১৭

৮। My experience with Sir….. Puja Kumari/ ১৮

৯। কাল চক্ৰৰ কলা সত্য..... ধীৰাজ দুৱৰা/ ১৯

১০। বিদায় পৰত শ্ৰদ্ধাৰ বিমল ছাৰলৈ...দ্বীপৰঞ্জন ফুকন/ ২৫

১১। বিদায়ী শ্ৰদ্ধাৰ .... শোমন কল্যাণ ৰাজকোঁৱৰ/ ২৮

১২। অনুভৱৰ একলম... শেৱালি কোঁৱৰ/ ৩০

১৩। সময়, শিক্ষা আৰু প্ৰমূল্যবোধ....জয়ন্ত সোনোৱাল/ ৩৬

১৪। Management of yams through religious sanction- the case of *Inglongkiri* sacred grove.....Dr. Urmika Phangchopi/ ৪০

১৫। মহামাৰী, মানৱ জাতি আৰু... ডেইজি বৰা/ ৪৫

১৬। অসমৰ চাহ জনগোষ্ঠী..... চৰণ কৰ্মকাৰ/ ৪৯

১৭। GHINAI, Kawaimari Bridge…Abhijit Kispota/ ৫১

১৮। Plastic and its pollution……Anupriya Borah/ ৫৫

# প্রথম খণ্ড

শ্ৰীযুত বিমল চন্দ্ৰ গগৈ দেৱৰ

বৰ্ণিল কৰ্মজীৱনৰ অনুভৱৰ

একলম......

# নামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উত্তৰণ আৰু ব্যক্তিগত অনুভৱ

**বিমল চন্দ্ৰ গগৈ**

সহকৰ্মী জয়ন্ত সোনোৱালে সিদিনা উদ্ভিদ বিজ্ঞান বিভাগটোৰ উত্তৰণৰ বিষয়ে দু-আষাৰ লিখিবলৈ অনুৰোধ কৰিছিল। কথা দিছিলো, সেয়ে মনলৈ যি আহিছিল লিখি থলো।

১৯৮৬ চনৰ ১ আগষ্ট। পুৱা ন বজাত আহি নামৰূপ মহাবিদ্যালয়ৰ প্ৰাঙ্গণত উপস্থিত হলো। মহাবিদ্যালয়খনৰ পকী গৃহটো "T" আকৃতিৰ আছিল। মানে এতিয়াৰ প্ৰৱেশ পথৰ বাওঁফালে থকা কোঠাকেইটা আৰু উদ্ভিদ বিদ্যা বিভাগৰ পৰা ৰসায়ন বিভাগৰ বিজ্ঞানাগাৰলৈকে আছিল। বাকী বাঁহৰ ঘৰ দুটা আছিল দূৰে দূৰে চাৰিকোঠালীয়াকৈ। বেৰা বা সীমা জেওৰা আদি নাছিল। বৰ্তমানৰ উদ্ভিদ বিভাগ থকা কোঠাটোতে কাৰ্যালয় আছিল। ইয়াৰ একাষে অস্থায়ী বেৰ দি দুটা কোঠা কৰা হৈছিল। সোঁফালৰ দুৱাৰখনৰ ওচৰত অধ্যক্ষ আৰু তেখেতৰ পাছৰ চকী টেবুলত কেৰাণী সূৰ্য চেতিয়া আৰু অস্থায়ী বেৰখনৰ সিফালে খিৰিকিৰ মুখত শ্ৰীৰত্নেশ্বৰ বৰুৱা বহে। সেয়াই অফিচ। অধ্যক্ষ ওচৰত এটা কাঠৰ আলমিৰা আছিল। অধ্যক্ষ শ্ৰদ্ধাৰ ভৱকোঁৱৰ চাৰ অহাৰ পিছত জইনিং ৰিপৰ্ট দিলো আৰু আহি বৰুৱাৰ ওচৰত থকা বেঞ্চখনতে বহিলো। বিভাগলৈ যাবলৈ বিভাগ নাছিল বা সেই সময়ত সেই বিভাগত কোনো নাছিল। মোৰ স্পষ্ট মনত আছে ইংৰাজী বিভাগৰ শ্ৰীযুত প্ৰদীপ ৰঞ্জন সাধনিদাৰ, স্বৰ্গীয় দিব্য কুমাৰ মোহন আৰু শ্ৰীসুশীল গগৈক প্ৰথম লগ পাইছিলো বৰুৱাৰ ওচৰত। তেখেতলোকৰ লগতে গৈ

শিক্ষকৰ জিৰণি কোঠাত জিৰণি লৈছিলো। ১৫ নং কোঠাটো সেই সময়ত কমন ৰুম আছিল। লাহে লাহে সকলো শিক্ষক-শিক্ষয়ত্রীৰ লগত চিনা-পৰিচয় হলো। সেই সময়ত বিজ্ঞান শাখাটো প্ৰাক-স্নাতক পযয্যার্য়লৈকে আছিল। স্নাতক মহলা হিচাপে ৰয়েল স্নাতক ১৯৮৫ চন মান আগৰ বছৰৰ পৰা আৰম্ভ কৰিছেহে। বিভাগ নাথাকিলেও সকলোৰে বাবে এটা বিজ্ঞানাগাৰ আছিল। বৰ্তমান ৰসায়ন বিজ্ঞানাগাৰটোৱেই সকলোৰে কমন বিজ্ঞানাগাৰ আছিল। সেই তেতিয়াৰ ৰয়েল স্নাতক শ্ৰেণীৰ প্ৰথম বেট্চৰ ছাত্ৰ এজন আজি আমাৰ সহকৰ্মী ড° মহিন্দক সিং। ১৯৮৭ চনত প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্বাৰ ভৱ কোৱঁৰ চাৰক অনুৰোধ কৰিলো জীৱ ৰসায়নতো স্নাতক শ্ৰেণী আৰম্ভ কৰিবলৈ। তেখেতে প্ৰথমে মন কৰা নাছিল আৰু কৈছিল – "কিয় স্নাতক শ্ৰেণী খুলি কষ্ট কৰিব লাগে? প্ৰাক- স্নাতক পঢ়াই থাকিলেও একে দৰমহাই পাই থাকিবা"। ঘূৰাই বুজাইছিলো যে প্ৰাক-স্নাতক পঢ়াই থাকিলে অৰ্জিত জ্ঞানৰ ব্যৱহাৰেই নহ'ব দেখুন। শেষত তেখেত মান্তি হৈ পৰিচালনা সমিতিৰ সন্মতি সাপেক্ষে ১৯৮৭ বৰ্ষৰ পৰাই জীৱ-ৰসায়ণ (Biochemistry) ৰ স্নাতক (B. Sc) শ্ৰেণী সমূহ আৰম্ভ কৰে। গুৰু বিষয় তেতিয়া আৰম্ভ কৰা নাছিলো। স্নাতক শ্ৰেণী আৰম্ভ কৰাৰ লগে লগে মহাবিদ্যালয়ৰ কাৰ্যালয়টো শ্ৰেণী কোঠালৈ স্নানান্তৰ কৰে আৰু তাতে উদ্ভিদ বিজ্ঞান বিভাগটো আৰম্ভ কৰো আৰু কাষৰ বৰ্তমানৰ conference ৰোমত প্ৰাণী বিদ্যা বিভাগ আৰম্ভ কৰা হয়। আগৰ Biology ৰ যি সামান্য সম্পদ আছিল সকলোবোৰ সমানে দুয়োটা বিভাগে ভগাই লওঁ। কালক্ৰমত লাহে লাহে বিভাগলৈ বিভিন্ন যন্ত্ৰ পাতি, আহিলা, আচ্বাব আদি সংগ্ৰহ কৰা হয়। পাছত কেইবাজনো অভিভাৱকে বিভাগলৈ অনুদান হিচাবে চকী, মেজ, আলমিৰা আদি

আগবঢ়াই। ইতিমধ্যে প্ৰাক স্নাতকৰ ঠাইত উচ্চতৰ মাধ্যমিক শ্ৰেণী আৰম্ভ হৈছিল আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লাহে লাহে বাঢ়িবলৈ লৈছিল। এই ১৯৮৭ চনৰ পৰা ১৯৯০ চনলৈ বিভাগটো অকলেই চম্ভালিব লগা হৈছিল। পাছত ১৯৯০ চনত জিতু বুঢ়াগোহাঁই আৰু ১৯৯২ চনত প্ৰয়াত ফিৰোজা খাতুনে বিভাগত যোগদান কৰে। বিজ্ঞানাগাৰ সহায়ক হিচাপে তেতিয়া যোগদান কৰিছিল প্ৰয়াত অখিল বৰগোহাঁই আৰু শ্ৰীদিব্যধৰ হাতীমুৰীয়াই। কিছু বছৰৰ পাছত অখিলৰ ঠাইত আহিল বৰ্তমানৰ শ্ৰীদিগন্ত বুঢ়াগোঁহাই।

১৯৯২ চনৰ ৭ জুলাই তাৰিখে নামৰূপ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই বহু কষ্টৰ বিনিময়ত চৰকাৰৰ ঘাটি মঞ্জুৰ পায় (Deficit grant in-aid)। সেই বছৰতে পূৰ্বতে আবেদন কৰি থোৱাৰ ফলস্বৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই বিভাগত গুৰু (major) বিষয় আৰম্ভ কৰিবলৈ অনুমতি প্ৰদান কৰে। শ্ৰীমান বিতুপন সোনোৱাল আমাৰ প্ৰথম গুৰু বিষয়ৰ ছাত্ৰ যি বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ কৰ বিভাগৰ উচ্চ পদত সেৱা আগবঢ়াই আছে। পাছৰ বহু ছাত্ৰ-ছাত্ৰীয়ে আমাৰ ইয়াৰ পৰা স্নাতক হৈ উলাই গৈ বিভিন্ন বিভাগত নিয়োজিত হৈ আছে। ইয়াৰে বিশেষভাৱে উল্লেখ কৰিব পাৰি ড° বিপিন শৰ্মা যি বৰ্তমান আগৰতলা বিশ্ববিদ্যালয়ৰ জৈৱ-ৰসায়ন বিভাগত সহ-কাৰী অধ্যাপক হিচাপে অধ্যাপনা কৰি আছে। তদুপৰি শ্ৰীপংকজ পাণ্ডে বেঙ্ক বিষয়া হিচাপে কৰ্মৰত আছিল আৰু এতিয়া এজন সফল ব্যৱসায়, শ্ৰীমনোজ চৌৰাচিয়া এজন চেন্ট্ৰল বেঙ্কৰ মেনেজাৰ হিচাপে পশ্চিমবংগ ৰাজ্যত কৰ্মৰত। ইয়াৰ উপৰিও বহুতে স্কুলত শিক্ষকতাবৃত্তিৰ সৈতে জৰিত। ব্যক্তিগতভাৱে নামৰূপ মহাবিদ্যালয়কলৈ আৰু উদ্ভিদ বিজ্ঞান বিভাগটোক লৈ বহুত সুখী। মহাবিদ্যালয়ৰ পৰিয়াল আৰু বিভাগৰ সৰু পৰিয়ালৰ সৈতে মিলিজুলি কাম

কৰি ঘৰুৱা আত্মীয়তা গঢ়ি উঠিছিল। কিন্তু দুৰ্ভাগ্যবশত প্ৰয়াত ফিৰোজা আৰু অখিল অকালতে আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ বাবে দুখ অনুভৱ কৰিছো। এই চেগতে মহাবিদ্যালয়ৰ জেষ্ঠ-কনিষ্ঠ যিসকল সহকৰ্মী আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে পৰলোকলৈ গুচি গৈছে সকলোকে শ্ৰদ্ধাৰে সোঁৱৰিছো। উদ্ভিদ বিজ্ঞান বিভাগত অধ্যাপনা কৰি ছাত্ৰ-ছাত্ৰীৰ লগত সময় অতিবাহিত কৰি নজনা কথাবোৰ শিকাই দি আনন্দ লভিছিলো। প্ৰথম কিছু বছৰ নামমাত্ৰ পাৰিতোষিকেৰে জীৱনৰ সোণালী দিনবোৰ অভাৱৰ মাজেৰে পাৰ কৰিব লগা হৈছিল। মাজে মাজে হতাশ হৈছিলো। তাতে মোৰ শুভাকাঙ্খীলোকে মোক এই সম্পৰ্কীয় বহু কথা কৈছিল। কিছু শুভাকাংশী লোকে মোক এই মহাবিদ্যালয়ৰ ভবিষ্যত নাই, কিয় ইয়াত সময় নষ্ট কৰিছোঁ, ভৱ কোঁৱৰ থাকে মানে বিজ্ঞান শাখাৰ ঘাটি মঞ্জুৰী আনিব নোৱাৰে আদি কথাৰে ব্যতিব্যস্ত কৰিছিল। কিছুমানে গুৱাহাটীলৈ অহা-যোৱা কৰোতে কিমান মোৰ চেণ্ডেল চিগিব তাৰ ঠিকমা নাই আদি বাক্যবাণেৰে মোক বিন্ধাইছিল। পিছে এনেবোৰ কথাই মোৰ মন দৃঢ়হে কৰিছিল। ভাবিছিলো, কোনোবাইটো কৰিব লাগিব, নহ'লে অনুষ্ঠানটো কেনেকৈ গঢ় ল'ব। তাতে নামৰূপৰ দৰে উদ্যোগ নগৰীতে যদি এখন বিজ্ঞান মাহাবিদ্যালয় নহয়, তেন্তে হ'ব ক'ত? সেয়ে ১৯৮৬ চনৰ পৰা দেহেকেহে সংগ্ৰাম কৰি ১৯৯২ চনত সফলতা আহিছিল। মোৰ জীৱনৰ বহু সোণালী দিন হয়তো উকাকৈয়ে পাৰ হ'ল, কিন্তু বিনিময়ত এটা অনুষ্ঠানে পূৰ্ণতা পালে। সেয়া আনে যিয়ে নকওক, নিজে অনুভৱ কৰি এক অনন্য সুখ অনুভৱ কৰোঁ। এই চৰকাৰী আওঁতালৈ অনাৰ ক্ষেত্ৰত কিছু লোকৰ বহু অৰিহনা আছে, যেনে সেই সময়ৰ মাননীয়

মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া, শিক্ষামন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ নাম ল'ব লাগিব। নামৰূপৰ বহুজনৰ লগতে প্ৰয়াত হৰিফুকন দেৱৰ নামো উল্লেখ কৰিব লাগিব যি শেষ মুহূৰ্ত্তত বহু সহায় কৰিছিল। আজি নামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান (Botany) বিভাগটো সুন্দৰকৈ সজাই তোলা দেখিয়েই আত্মসন্তোষ্টি লাভ কৰো। তদুপৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ সফলতাইহে প্ৰকৃত আনন্দ দিয়ে। আশা কৰো ভবিষ্যতে ছাত্ৰ-ছাত্ৰী সকলে আৰু অধিক সফলতা লাভ কৰক, অনুষ্ঠানটোলৈ গৌৰৱ কঢ়িয়াই আনক, উজ্জ্বলাই তোলক নামৰূপক। এসময়ত উদ্ভিদ বিজ্ঞান পঢ়ি ছাত্ৰ-ছাত্ৰীৰ কিমান লাভ হ'ব মনত প্ৰশ্ন উদয় হৈছিল। মাজে মাজে দুঃচিন্তাও হৈছিল। এইবোৰ গতানুগতিক শিক্ষা দি ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যতবোৰ নষ্ট কৰা হোৱা নাইতো? কিন্তু এতিয়া সেইবোৰ চিন্তা নাই। উদ্ভিদ বিজ্ঞান পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে এতিয়া এখন বিশাল সম্ভাৱনাময় পৃথিৱীত প্ৰৱেশ কৰিব পাৰে। Biotechnology, Microbiology, Ethnobotany, Floriculture, Phytomedicine আদি বৃহৎ সম্ভাৱনাময় ক্ষেত্ৰ আছে য'ত নৱ-প্ৰজন্মসমূহে সংস্থাপনৰ দিহা নিজে কৰিব পাৰে। লাগে মাথো উদ্যম আৰু পৰিকল্পনা। ছাত্ৰ-ছাত্ৰীসকলৰ সপোনবোৰ বাস্তাৱায়িত কৰাত সক্ৰিয় সহযোগ কৰিবলৈ এতিয়াও দক্ষ, অক্লান্ত কৰ্মী তথা উদ্যমী শিক্ষক শ্ৰীজয়ন্ত সোনোৱাল আৰু উদ্যমী ড° উৰ্মিকা ফাংচপী আছে। তেওঁলোকে ইতিমধ্যে বিভাগটোৰ পৰা ISBN থকা এখন তথ্য গধুৰ সুন্দৰ গ্ৰন্থ সম্পাদনা কৰি ওলিয়াইছে। আশাকৰো ভবিষ্যতেও বিভাগটোৰ গৱেষণাৰ কেন্দ্ৰ কৰি উজ্জ্বলাই তুলিব। মাজে মাজে দুঃচিন্তা হৈছিল। এইবোৰ গতানুগতিক শিক্ষা দি ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যতবোৰ নষ্ট কৰা হোৱা

নাইতো? কিন্তু এতিয়া সেইবোৰ চিন্তা নাই। উদ্ভিদ বিজ্ঞান পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে এতিয়া এখন বিশাল সম্ভাৱনাময় পৃথিৱীত প্ৰৱেশ কৰিব পাৰে। Biotechnology, Microbiology, Ethnobotany, Floriculture, Phytomedicine আদি বৃহৎ সম্ভাৱনাময় ক্ষেত্ৰ আছে য'ত নৱ-প্ৰজন্মসমূহে সংস্থাপনৰ দিহা নিজে কৰিব পাৰে। লাগে মাথো উদ্যম আৰু পৰিকল্পনা। ছাত্ৰ-ছাত্ৰীসকলৰ সপোনবোৰ বাস্তাৱায়িত কৰাত সক্ৰিয় সহযোগ কৰিবলৈ এতিয়াও দক্ষ, অক্লান্ত কৰ্মী তথা উদ্যমী শিক্ষক শ্ৰীজয়ন্ত সোনোৱাল আৰু উদ্যমী ড° উৰ্মিকা ফাংচপী আছে। তেওঁলোকে ইতিমধ্যে বিভাগটোৰ পৰা ISBN থকা এখন তথ্য গধুৰ সুন্দৰ গ্ৰন্থ সম্পাদনা কৰি উলিয়াইছে। আশাকৰো ভৱিষ্যতেও বিভাগটো গৱেষণাৰ কেন্দ্ৰ কৰি উজ্বলাই তুলিব॥

# ...বিভাগীয় শিক্ষক-কৰ্মচাৰীসকলৰ অনুভৱৰ জোলোঙা...

# শ্ৰদ্ধাৰ বিমল চন্দ্ৰ গগৈ ছাৰলৈ শুভকামনাৰে

জয়ন্ত সোনোৱাল
সহকাৰী অধ্যাপক

জীৱিকা আৰু মনে বিচৰা বৃত্তিটোৰ খাতিৰত এতিয়ালৈকে কেইবাটাও প্ৰতিষ্ঠান ঘূৰিলো। সকলোতে কোনোবা নহয় কোনোবা এজন ব্যক্তি লগ পোৱা যায় যি এখন আকাশৰ দৰে সকলো সময়তে আৱৰি থাকি সাহস দিয়ে। সেই সাহসে আগুৱাই যোৱাত প্ৰধান আহিলা হৈ পৰে। নামৰূপ মহাবিদ্যালয়ত চাকৰিত যোগদান কৰিয়েই সেই সাহসৰ উৎস আছিল শ্ৰদ্ধাৰ শ্ৰীযুত বিমল চন্দ্ৰ গগৈ ছাৰ। বিভাগীয় সকলো কাম-কাজ কেনেকৈ কৰিব লাগে, ব্যৱহাৰিক পৰীক্ষাবোৰ কেনেকৈ পাতিব লাগে আদি অনেক ধৰণৰ কামবোৰ ছাৰৰ পৰাই শিকিছিলো। ছাৰ থকাৰ বাবেই যিকোনো কাম কৰিবলৈ সাহস কৰিছিলো আৰু প্ৰতিটো কামৰ বাবে ছাৰে বিনা দ্বিধাই কৰিবলৈ দিছিল। ছাৰে নিতৌ ছাত্ৰ-ছাত্ৰীসকলৰ লগত থাকি বৰ ভাল পাইছিল আৰু তাৰ ফলস্বৰূপে নিতৌ বিভিন্ন ৰসিক কথা-বতৰাৰ মাজেৰে পাঠদান কৰি গৈছিল। যোৱা ১ চেপ্তেম্বৰ ২০২০ পৰা ছাৰে মহাবিদ্যালয়ৰ মূৰব্বীৰ দায়িত্ব পালন কৰি অতি সুচাৰুৰূপে মহাবিদ্যালয়ৰ প্ৰশাসনিক কাম-কাজ চলাই শিক্ষকতাৰ উপৰিও এজন সুদক্ষ প্ৰশাসনিক বিষয়াৰ পৰিচয় দিলে। ছাৰৰ দিনত খুউব কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ পুজিৰে আন্তঃগাঠনিৰ কেইবাটাও কাম ক্ষিপ্ৰ

গতিত সম্পন্ন হ'ল। তাতকৈ ডাঙৰ কথাটো হ'ল ছাৰে নিজ হাতেৰে গড় দিয়া উদ্ভিদ বিজ্ঞান বিভাগটো এটা চকুতলগা বিভাগ হিচাপে গড় দিলে। খলা-বমা মজিয়াৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰেক্টিকেলৰ কামবোৰ কৰিবলৈ যথেষ্ট অসুবিধা হৈছিল। এতিয়া সেই সমস্যাটো নোহোৱা হ'ল। এই চেগতে ছাৰক আন্তৰিক কৃতজ্ঞতা জনালোঁ। ছাৰৰ পৰা উদ্ভিদ বিজ্ঞান বিভাগটোৱে বহুত পালে আৰু আমাৰো পথ পদশক হৈ আগুৱাই যাবলৈ বাট দেখুৱাই থৈ গ'ল। পৰৱৰ্তী সময়খিনিত যাতে উদ্ভিদ বিজ্ঞান বিভাগটো ছাৰৰ আৰ্দশ আৰু পথেৰে লৈ যাব পাৰোঁ তাৰ বাবে ছাৰৰ পৰা দিহা-পৰাৰ্মশ আমি সদায়ে আশা কৰিম। ছাৰৰ অন্য এটা কথাই সদায় আকৰ্ষিত কৰিছিল। সেইয়া আছিল ছাৰৰ উজ্জল মুখমণ্ডল আৰু পৰিষ্কাৰ পৰিপাতিকৈ পৰিধান কৰা পোছাক। আজিৰ দিনটোত ছাৰৰ যি সু-স্বাস্থ্য অটুট আছে অনাগত দিনবোৰতো ছাৰক এই ৰূপত দেখা পালে আমি সুখ অনুভৱ কৰিম। শেষত ছাৰৰ চাকৰি জীৱনৰ পাছত আৰম্ভ হোৱা চৰকাৰী বাধ্য-বাধকতা নথকা মুক্ত জীৱনলৈ শুভকামনা জনালোঁ। পৰিয়ালৰ সৈতে পাছৰ সময়খিনি য়াতে অতি সুখ-আনন্দৰে পাৰ হয় এয়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।।

## To Respected Mr. Bimol Ch. Gogoi Sir

Dr. Urmika Phangchopi
Assistant Professor

From the day of my first joining in this noble institution I found him as the head of our department (Botany) and after a few months as the Principal i/c of the college. Since then he is like my guardian in this new environment. I feel warm and fearless by his presence. He inspires me, encourage me to overcome my fears and have taught me so many valuable life lessons.

Over this one and half years of my service experience under his Principalship, I have seen him as a very noble, hardworking and kind hearted person. He will always remain as an inspiration and guidance of the institution. The feeling of joy and working under him is remarkable. The wipe of his positive attitude towards others make him a special person. We will remember all the moments that we have spent with him. Last but not the least; I congratulate him for the successful completion of his service period. The world is wide and it endless opportunities and beauty is waiting for him to be explored. I wish him and his family a bright, happy and healthy future ahead in the new awaited life.

# গগৈ চাৰ

দিগন্ত বুঢ়াগোঁহাই
বিজ্ঞানাগাৰ সহায়ক

চাৰক মই মোৰ ছাত্ৰ অৱস্থাৰ পৰাই লগ পাইছো, মানে চাৰৰ যেতিয়াৰ পৰা এই মহাবিদ্যালয়ত কৰ্মজীৱন আৰম্ভ হৈছিল তেতিয়াৰ পৰা। শিক্ষা দানত তেখেতে কোনো কৃপনালী কৰা বা অনিহা প্ৰকাশ কৰা মোৰ বোধগম্য হোৱা নাছিল। এক কথাত তেখেতৰ এনে প্ৰচেষ্টাৰ বলতে এই মহাবিদ্যালয়ৰ পৰা বহু ছাত্ৰ-ছাত্ৰী সুশিক্ষাৰে শিক্ষিতহৈ এতিয়া সমাজৰ বিভিন্ন স্থানত একোগৰাকী সফল ব্যক্তি হিচাপে প্ৰতিস্থিত হৈছে।

সৌভাগ্যৰ বলত মই এদিন এই মহাবিদ্যালয়ত কৰ্মজীৱন আৰম্ভ কৰো আৰু চাৰৰ উদ্ভিদ বিজ্ঞান বিভাগতে কৰ্মৰত হৈ পৰো। তেখেতৰ লগত অতিবাহিত কৰা সময়ৰ বহুবোৰ মধুৰ স্মৃতি মোৰ মানস পতত এতিয়া ভাহি উঠিছে। চাৰৰ পৰা বহু মৰম চেনেহ মই বুটলিবলৈ সক্ষ্যম হৈছিলো আৰু লগতে ময়ো চাৰক গভীৰ ভক্তি ভাৱনাৰে সা-সন্মান কৰি গৈছো।

আজি চাৰে চাকৰি জীৱনৰ নিয়ামৰ মাজেৰে আমাৰ মাজৰ পৰা আতৰি যাব এই চিন্তাই মনটো বৰ উৰুঙা উৰুঙা লগাইছে। অনাগত দিনবোৰ তেখেতৰ লগতে পৰুয়ালৰ মঙ্গল হওক, এই মনোকামনাৰে মোৰ একল সামৰিলো।।

# গগৈ চাৰলৈ প্ৰণাম যাচিলো

দিব্যধৰ হাতীমূৰীয়া
অৱসৰ প্ৰাপ্ত বিজ্ঞানাগাৰ সহায়ক

আপোনাৰ চাকৰিৰ বিদায়ৰ প্ৰাক-কালত বেদনা ভৰা মনেৰে আপোনালৈ জনাওঁ সশ্ৰদ্ধ প্ৰণাম। আপোনাৰ নিৰহংকাৰ, স্থিৰ, ধৈৰ্য্যশীল আৰু সৰলতাই মোক সদায়েই মুগ্ধ কৰে আৰু কৰি থাকিব। কৰ্মজীৱনৰ পৰা সু-স্বাস্থ্য, সুশৰীৰেৰে অৱসৰ লোৱাটো কৰ্মজীৱনত যোগদান কৰা নিচিনা সৌভাগ্যৰ কথা বুলি মোৰ বিশ্বাস, সেয়েহে কৰ্মজীৱনৰ সফল সামৰণিৰ বাবে মোৰ তৰফৰ পৰা গগৈ চাৰক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। মই ১৯৯৪ চনৰ ১০ জুনত কলেজত যোগদান কৰাৰ পৰা উদ্ভিদ বিজ্ঞান বিভাগত মুৰব্বী অধ্যাপকৰ আসনত থকা চাৰক লগ পাইছো। চাৰে বিজ্ঞানাগাৰত শিক্ষাদান কৰা আৰু পৰিস্কাৰকৈ থকাৰ ওপৰত গুৰুত্ব দিছিল। সেয়েহে আমাক পৰিস্কাৰৰ কথা মাজে মাজে কৈ থাকে আৰু আমিও পৰিস্কাৰকৈ ৰখাৰ বাবে চেষ্টা কৰিছিলো। চাৰ এজন সহজ সৰল মানুহ আছিল আৰু তেখেত সকলোৰে আদৰৰ। মোৰ ছাৰৰ লগত কাম কৰি বহুত ভাল লাগিছিল। চাৰ এজন এনেকুৱা মানুহ যি সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰে আৰু সকলো কামতে দক্ষতা আছে। মই অৱসৰ ল'লেও চাৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক এতিয়াও আছে। কৰ্ম ক্ষেত্ৰত যদি কোনোদিন কিবা ভুল কৰিছিলো অথবা আপোনাৰ মনত দুখঃ দিছিলো তাৰ বাবে আপোনাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

শেষত চাৰ আৰু পৰিয়ালৰ সকলোটি সদস্যৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ ভক্তিভৰা নমস্কাৰ জনালোঁ।।

# বিভাগীয় প্ৰাক্তন

# আৰু

# বৰ্তমানৰ

# ছাত্ৰ-ছাত্ৰীসকলৰ

# অনুভৱৰ কলম....

# ছাৰলৈ শুভকামনা যাচিলোঁ

প্ৰিয়ঙ্কা গগৈ
Ph. D. Research Scholar, NEIST, Jorhat
প্ৰাক্তন ছাত্ৰী, উদ্ভিদ বিজ্ঞান বিভাগ

গগৈ ছাৰ, বিদায়ক্ষণত আপোনালৈ বুলি একলম, কিবা ভুল হ’লে ক্ষমা কৰিব কিয়নো কাৰোবাৰ বাবে লিখাৰ অভ্যাস মোৰ একেবাৰেই নাই। হয়তো আপুনিয়েই প্ৰথম, প্ৰথমে আৰম্ভ কৰিছো প্ৰথম ষান্মাসিকৰ বিষয় “ভেকুঁৰ” পাঠদানৰ পৰা। প্ৰথম দহদিনটো একোৱেই বুজি পোৱা নাছিলো, মাত্ৰ এটাই বুজিছিলো সন্মুখত এখনো কিতাপ নোলোৱাকৈ তেওঁ মুখেৰে ইমান স্পষ্টকৈ সকলো পাঠ কেনেকৈ বুজাব পাৰে। ঠিক তেনেকৈ এমাহ পাৰ হ’ল ছাৰৰ ক্লাছত অলপ সহজ হ’বলৈ ললো। তাৰ পাঠত এনেকুৱা এটা দিন নাছিল যিটো দিনত ছাৰে মোৰ সৈতে ক্লাছৰ মাজতে ধেমালি কৰা নাছিল, আৰু মোৰ সহপাঠীসকলে সেই ক্ষণৰ বাবে সদায়ে অপেক্ষা কৰিছিল যে ছাৰে আজি প্ৰিয়ঙ্কাক কি ক’ব? এটা উদাহৰণ দিছো “এদিন তেখেতে তৃতীয় ষান্মাসিকৰ Economically Important Plants of India বুজাই থাকোতে মাজতে সুধিছিল যে - চকলেট গছৰ বৈজ্ঞানিক নাম কি?” মই তললৈ মূৰ কৰিলো আৰু মোৰফালে চাই ছাৰে কৈছিল “অ অকল খাবহে জান!” মোৰ সকলো বন্ধুসকলে হাঁহি ৰ’ব নোৱাৰা অৱস্থা হৈছিল। মই মনতে ভাৱিছিলো এইজনাই

সদায়ে কেৱল মোকে কিয় পায় বাৰু? হয়তো সেই বছৰ (২০১৭-১৯) ছাত্ৰী হিচাপে ক্লাছত কেৱল মইয়ে আছিলো সেয়ে চাগে মোক ইমান প্ৰশ্ন কৰে, আজিৰ পৰা মই আগৰ বেঞ্চত নবহো ইমান প্ৰশ্ন সুধে। তাৰ পাছত আহিল প্ৰেক্টিকেল, সেইকথা যেন নকই নোৱাৰি। এবাৰ প্ৰেক্টিকেলৰ কপি ছাৰক দেখুৱাবলৈ যোৱা মানেই আপুনি শেষ আৰু সেয়েহে প্ৰেক্টিকেলৰ কপিত তেখেতৰ স্বাক্ষৰ লৈ অহাটো বাঘৰ মুখৰ পৰা বাচি অহাৰ দৰে একেই আছিল। সকলোৰে মুখত এটাই শব্দ "উফ ৰক্ষা এইবাৰলৈ বাচিলো"। তেওঁ সদায় ধেমালিৰ মাজেৰে পাঠদান আগবঢ়াইছিল যাতে আমি সকলোৱে বুজি পাওঁ। সহজ ভাষাৰে ছাৰে কৈছিল। তেখেতে পাঠদানৰ মাজতে নিজে কেনেকৈ পঢ়াশুনা কৰিছিল তাৰ বিষয়ে কৈছিল আৰু কথাবোৰৰ পাৰ অনুপ্ৰাণিত হৈছিলো। লগতে উদ্ভিদ বিজ্ঞান অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে কেনেকুৱা সমস্যাৰ সন্মুখীন হয় আৰু তাৰ বাবে কেনেকৈ নিজকে প্ৰস্তুত কৰিব লাগে তাৰ সমাধানো দিছিল। ছাৰৰ সেই আদৰ্শ আগত ৰাখিয়েই আজি মোৰ লগতে মোৰ সহপাঠী সকল নিজ নিজ লক্ষ্যৰ লগতে কৰ্মক্ষেত্ৰত আগবাঢ়ি গৈছে। ছাৰে কৈছিল সমাজত এচাম শিক্ষিত লোকেও উদ্ভিদ বিজ্ঞানৰ পৰিসৰৰ কথা নজনাকৈয়ে এই বিষয়টোক অৱহেলা কৰে। কিন্তু মই কওঁ ছাৰ যেন তাৰেই এটা ডাঙৰ উদাহৰণ যি মানুহৰ মনত উদয় হোৱা অৱহেলিত ভাৱটোক মিছা প্ৰমাণ কৰি আমাক ভৱিষ্যতৰ বাবে সাহস দিছিল। ছাৰে নিজৰ বিষয়টো

অতি সুন্দৰকৈ ছাত্ৰ-ছাত্ৰীৰ মাজত আগবঢ়াই দিছিল যাৰ বাবে মই আজি সেই বিষয়ৰ ওপৰেই উচ্চ শিক্ষাৰ লগতে গৱেষণা কৰাৰ সুবিধা পালো। আজি আনন্দিত হৈছে আপোনাৰ আনুষ্ঠানিক কৰ্মজীৱনৰ বিদায়ক্ষণত একলম লিখাৰ সৌভাগ্য হ'ল। তাৰ বাবে মোৰ শ্ৰদ্ধাৰ গুৰু জয়ন্ত ছাৰৰ ওচৰত সদায় কৃতজ্ঞ। ইমান বছৰে শ শ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দিলে, এতিয়া হ'ব আৰু ছাৰ অলপ বিশ্ৰাম কৰক। মই জানো আপুনি সময় আৰু সুবিধা পালেই আকৌ ছাত্ৰ-ছাত্ৰী সকলক Fungi, Gymnosperm, Anatomy, Evolution আদি বিষয়ত পাঠদান দিব কিয়নো আপুনি নদীৰ দৰে কেতিয়াও ভাগৰি নপৰা এজন মানুহ। মানুহ ক'লে হয়তো ভুল হ'ব নামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ এক ৰত্ন। আৰুনো কি লিখিম, আগৱানে আপোনাক সু-স্বাস্থ্যৰ লগতে দীৰ্ঘায়ু জীৱন দান কৰক। শেষত আকৌ লগ পোৱাৰ আশাৰে আজিলৈ ইমানতে সামৰিলো।।

# চাৰলৈ একলম

সহদেব শ্বাহ
প্ৰাক্তন ছাত্ৰ
উদ্ভিদ বিজ্ঞান বিভাগ

বিমল চন্দ্ৰ গগৈ....মনলৈ আহিলেই  শ্ৰদ্ধাত মূৰ দুৱাবলৈ মন যায়। তেওঁক মই 2013 চনত লগ পাওঁ যদিও 2015 চনত বটানি মেজৰ বিষয় হিচাপে লওঁতে বেছি ভালকৈ তেওঁক লগ পাওঁ। ছাৰ এজন বৰ ৰসিক মানুহ আছিল। তেওঁ মোক সৰ্বশিক্ষা বুলি মাতি জোকাইছিল আৰু মাজে মাজে CRPF বুলিও মাতিছিল,কাৰণ মই পঢ়ি থকাৰ মাজতে এবাৰ CRPF ত ইণ্টাৰভিউ দিব গৈছিলোঁ আৰু মোৰ সেই পৰীক্ষা ভালো হৈছিল। এবাৰ এটা মস্ত জমনি ঘটনা ঘটিছিল। HS শেষ কৰাৰ পিছতে তেওঁ এবাৰ মোক মোৰ GF ৰ লগত দেখিছিল আৰু তাৰ পিছৰ পৰাই তেওঁ মোক জোকাইছিল...চা আজি কালি লৰাই GF ৰ লগতহে ঘূৰে।

কেতিয়াবা কাৰোবাৰ প্ৰতি এনেই শ্ৰদ্ধাত মূৰ দো খাই। তেনে এজন ব্যক্তি আছিল ছাৰ। তেখেতৰ চাকৰি জীৱনৰ বিদায় বেলাত তেখেতলৈ একাঁজলি সন্মান জ্ঞাপন কৰিলোঁ।।

## My experience with Sir

Puja Kumari
Ex-student of 2018 Batch

In the year of 2015, I joined in Namrup College situated in Namrup in the heart of a tea garden. Here I met a person whose memories shall remain with me forever. Mr. Bimal Chandra Gogoi Sir, HOD of Botany Department. The way Sir taught could never be written down in words. He was one of the excellent teachers I ever met in my entire academic life.

Although being from Assamese background and English as his commanding language while teaching he did his best to make me understand the subject content. I studied in English medium but Hindi was a secondary language that we used in our day to day life because of which I was finding it quite difficult to cope with the language there but sir tried his best to make understand even using Hindi words in spite of Hindi being a new language to him, which will always be illuminated in my heart. And lastly heart-felt thank you to sir, for all the support, guidance and precious life lesson. I congratulate you for your successful completion of service life and praying to god to keep you always healthy and happy.

# কাল চক্ৰৰ কলা সত্য

ধীৰাজ দুৱৰা
প্ৰাক্তন ছাত্ৰ, উদ্ভিদ বিজ্ঞান বিভাগ

বোৱতী নদীৰ পানী, সময়ৰ গতি কোনে ৰোধিব পাৰে। আমি এই অপ্ৰিয় সত্যক মানি ল'ব নিবিচাৰো যদিও মানি ল'বলৈ বাধ্য। এই কলা সত্যকে মানি আজি আমি আমাৰ প্ৰিয় শিক্ষাগুৰু তথা একেধাৰে উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ও মূৰব্বী তথা নামৰূপ মহাবিদ্যালয়ৰ উপাধক্ষ্য ও শেষত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধক্ষ্যৰ আসন খন অলংকিত কৰা শ্ৰীযুত বিমল চন্দ্ৰ গগৈ ছাৰৰ চাকৰি জীৱনৰ বিয়লি বেলাত ছাৰক কৰ্মক্ষেত্ৰৰ পৰা বিদায় দিব ওলাইছো। বিদায় এটা অতি আবেগ মিশ্ৰিত শব্দ। হীৰুদাই কোৱাৰ দৰে...

কোনে কাক বিদায় জনাব পাৰে
বুকুত খোদিত হ'ল যাৰ সঠিক ঠিকনা
বুকু, হৃদয়, অন্তৰ আত্মা, মন-মগজু
শৰীৰৰ প্ৰান্তত শিহৰিত হৈ থকা
বা চালিত হৈ থকা
ৰক্ত কণিকাৰ চিন্তাত
য'ত আপুনি খোদিত হৈ আছে

সেই তাৰ পৰা আপোনাক কেতিয়াও বিদায় দিয়া সম্ভৱ নহয়।

মই ইং ২০১৭ বৰ্ষত স্নাতক কৰিবৰ নিমিত্তে উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰথম ষান্মাষিকত নামভৰ্তি কৰিবলৈ আহো। সেইদিনা খুউব সম্ভৱ আছিল ২০১৭ বৰ্ষৰ মে' মাহৰ কোনোবা এটা দিন। সেইদিনা আমাৰ বিভাগ (উদ্ভিদ বিজ্ঞান) ৰ কাষতে থকা Conference Room ত ২০১৭ বৰ্ষৰ বিজ্ঞান শাখাৰ বিভিন্ন বিভাগ সমূহত নামভৰ্তিৰ বাবে আবেদন কৰা শিক্ষাৰ্থী সকলৰ Mark sheet সমূহ নিক্ষিণ কৰি এজন এজন কৈ শিক্ষাৰ্থী সকলক মাতি নি ছাৰ-বাইদেউ সকলৰ লগত কথা পাতি বিভাগ সমূহত নামভৰ্তি কৰাৰ সুবিধা কৰি দিছিল। আমি Conference Room ৰ এটা কাষে ৰৈ আছিলো আৰু আনফালে টেবুলৰ তিনিওফালে ছাৰ-বাইদেউসকল বহি Mark sheet সমূহ নিৰিক্ষণ কৰি আছিল। সেই ছাৰ-বাইদেউসকলৰ মাজত বিমল ছাৰো এজন আছিল। তেতিয়া তেখেত উদ্ভিদ বিজ্ঞান বিভাগৰ মূৰব্বী। সেই বছৰ গছ পুলি ৰুৱা ফটো একপিৰ লগত বাৰ্ষিক আয় প্ৰ-পত্ৰ জমা দিলে বিনামূলীয়া নামভৰ্তি কৰিব পাৰিছিল। তাৰ পৰিবৰ্তে Mark sheet খনৰ পিছফালে বিনামূলীয়া নামভৰ্তিৰ মোহৰ এটা মাৰি দিছিল। যিটো কাম Conference Room ত বিমল ছাৰে কৰি আছিল। বিভাগ বাচনিৰ কাম চলি আছিল। অলপ সময়

যোৱাৰ পিছত ধীৰাজ দুৱৰা বুলি মোৰ নামটো ঘোষণা কৰিলে। মই আগবাঢ়ি যোৱাৰ পিছত মোক সুধিলে-"Department কি ল'বা?" তেতিয়া মই কলো- Botany ত ল'ম বুলি ভাবিছো। মোৰ কথা শুনি বিমল ছাৰে তৎক্ষণাত মাত লগালে-"কোনটো চাও Botany ত ল'ব অহাটো, চাওচোন তোৰ Mark sheet খন।" আৰু চোৱাৰ পিছত ছাৰে ক'লে যে- "তোৰ দেখুন প্ৰাণী বিজ্ঞানতহে নম্বৰ বেছি, প্ৰাণী বিজ্ঞান ল'ব পাৰ।" মই কিন্তু আগৰ পৰাই উদ্ভিদ বিজ্ঞান ল'ম বুলিয়ে ভাবি গৈছিলো কিয়নো মোৰ কৃষিৰ প্ৰতি আগ্ৰহ এটা সৰুৰ পৰাই আছিল। সেইবাবে মই উদ্ভিদ বিজ্ঞানতে নামভৰ্তি কৰিম বুলি ছাৰক ন দি কলো, সেইমৰ্মে ছাৰেও অনুমতি দিলে আৰু ছাৰে ক'লে- "মোৰেই বিভাগ সেইটো।" তেতিয়াই ছাৰক প্ৰথম লগ পাওঁ আৰু উদ্ভিদ বিজ্ঞানৰ বুলি চিনি পাওঁ। মই সেইদিনা Conference Room ত লক্ষ্য কৰি আছিলো বিজ্ঞান শাখাৰ প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে ৰাসায়ন বিজ্ঞান, প্ৰাণী বিজ্ঞান (সাধাৰণতে ছোৱালীবোৰে), পদাৰ্থ বিজ্ঞান বিভাগত নামভৰ্তি কৰিব বিছাৰিছিল। কিন্তু কিছুমানে সেইবিলাক বিভাগত নাপাইহে উদ্ভিদ বিজ্ঞানত ল'ব লগীয়া হৈছিল। বিজ্ঞান শাখাৰ গণিত আৰু উদ্ভিদ বিজ্ঞান বিভাগত অতি সীমিত সংখ্যক শিক্ষ্যাৰ্থীয়ে হে নামভৰ্তি কৰিব বিছাৰিছিল। সেইবাবেই উদ্ভিদ বিজ্ঞান মই নিজেই নিৰ্বাচন কৰাৰ বাবে

ছাৰে মোক ভালকৈ লক্ষ্য কৰিছিল চাগে আৰু কৈছিল – “কিবা সোধো নেকি?" ছাৰে সোধাত মইয়ো হাঁহি হাঁহি তপৰাই উত্তৰ দিলো “সোধক ছাৰ।” মই তেতিয়া সোধক বুলি কৈ দিছিলো কিন্তু ছাৰে সোধা হ'লে তেতিয়া হয়তো নোৱাৰিলোঁহেতেন।

অৱশেষত নামভৰ্তিৰ এসপ্তাহ মানৰ পিছতে আমাৰ পাঠদানসমূহ আৰম্ভ হ'ল। প্ৰথমদিনা কলেজলৈ গৈ মই বিভাগীয় কক্ষত (উদ্ভিদ বিজ্ঞানৰ) মোৰ সম বন্ধু-বান্ধৱী আৰু দাদা- বাইদেউহঁতৰ লগতে বিভাগৰ ছাৰ, বৰ্তা, খুড়াহঁতৰ লগত চিনাকী হ'লো। প্ৰথমে ছাৰহঁতক অলপ ভয় খাইছিলো, সাধাৰণতে যিটো সকলোৰে লগত হয়। পিছত ছাৰৰ বন্ধুসুলভ ব্যৱহাৰৰ বাবে সেই ভয় অতি কম দিনৰ ভিতৰতে নোহোৱা হ'ল। ছাৰৰ এই ধেমালীসুৰীয়া ব্যৱহাৰৰ বাবে ছাৰৰ পাঠদান সমূহত কোনো দিনেই বিৰক্তি অনুভৱ কৰা নাছিলো আৰু কিবা বিষয় ভালদৰে বুজি নাপালে ছাৰক সুধিবলৈ কোনোদিনেই কুণ্ঠাবোধ কৰা নাছিলো।

যদিও ছাৰ ধেমেলীয়া আছিল তৎসত্বেও ছাৰক দেখিলে আৰু কথা পাতিলে সন্মানৰ ভাব এটা মনত আপোনা-আপুনি জাগি উঠিছিল। ছাৰৰ পৰা মই পাঠ্যপুথিৰ পাঠ লাভ কৰাৰ লগতে অন্য বাহিৰৰ বহুতো কথা শিকিব পাইছিলো। পাঠদানৰ সময়তে মাজে মাজে ছাৰেও নিজৰ ছাত্ৰ

জীৱনৰ সংগ্ৰামৰ কথা কৈ আমাক উৎসাহ দিছিল। মই ছাৰৰ কথাবোৰ শুনিয়েই বুজিব পাৰিছিলো যে কিমান সংগ্ৰাম, ধৈৰ্য্য, ত্যাগ আৰু সাধনাৰ ফলত ছাৰ আহি আজি বৰ্তমানৰ পৰ্য্যায় পাইছেহি। যি সময়ত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱে বহুত ডাঙৰ কথা আছিল, সেইটো সময়ত ছাৰ বিশ্ববিদ্যালয়ৰ শিক্ষা লাভ কৰি আহি আমাৰ নামৰূপ মহাবিদ্যালয়ত যোগদান কৰে। সেইবোৰ কথা যেন সেই সময়ত বহু মানুহৰ কাৰণে কল্পনাৰো উৰ্দ্ধত আছিল, যিটো ছাৰে বাস্তবায়িত কৰিলে। এদিন ছাৰৰ মুখেৰে শুনিছিলো যে ছাৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি অহাৰ পিছতেই ছাৰক Senior BDO Post ত মাতি নি চাকৰি দিছিল যদিও ছাৰে সেই চাকৰি প্ৰত্যাখ্যান কৰি আমাৰ কলেজত অতি কম পৰিমাণৰ বেতনৰ বিনিময়ত শিক্ষাদান কৰি থাকিল, সেইসময়ত হয়তো কলেজখন সম্পূৰ্ণৰূপে প্ৰাদেশিকৰণ হোৱাই নাছিল। আমাৰ নামৰূপ কলেজখন পূৰ্ণাংগ ৰূপে গঢ়ি তুলিবলৈ ছাৰে যি অৱদান আগবঢ়ালে সেই কথা আমি শলাগিবই লাগিব। কৰ্ম জীৱনৰ পৰা বিৰতি ল'লেও কৰ্মৰত সময়খিনিত ছাৰে যিবোৰ কাম কৰি থৈ গ'ল সেই কামবোৰৰ বাবে কলেজখনৰ সৈতে প্ৰতক্ষ্য ও পৰোক্ষভাৱে জড়িত সকলোবোৰ মানুহৰ মনত ছাৰ সদায়ে চিৰস্মৰণীয় হৈ ৰ'ব। আমি ছাৰৰ পৰা লাভ কৰা পাঠসমূহৰ লগতে ছাৰে আমাৰ লগত কৰা ধেমালীবোৰ চিৰদিন সজীৱ হৈ ৰ'ব। আমাৰ

লগৰ চন্দ্ৰা (চন্দ্ৰা অধিকাৰী) ক চন্দা মাছ বুলি মতা, প্ৰদ্যুম (প্ৰদ্যুম চুব্বা) ক আমাৰ সুৰতে সুৰ মিলাই নেপালী বুলি মাত লগোৱা আদি ধেমালী কৰা, পাঠদানৰ সময়ত আমাক কিবা সোধোতে উত্তৰ দিব নোৱাৰিলে ধেমালীতে হাঁহি হাঁহি- ''গাহৰি, অকল খাবলৈ হে পৃথিৱীলৈ আহিলি'' বুলি কোৱা আদি ধেমালিবোৰ সদায়ে মনত পৰি থাকিব। আমাৰ লগৰ ৰঞ্জনা তাইক (ৰঞ্জনা চলিহা) ৰ ঘৰ কলেজৰ পৰা আমাৰ আন বন্ধু-বান্ধবীৰ ঘৰৰ তুলনাত বহু ওচৰত হোৱাৰ স্বত্বেও ৰাতিপুৱা ৯/১০ বজাৰ ক্লাছবোৰত প্ৰায়ে ১০-১৫ মিনিট  দেৰিকৈ দৌৰি দৌৰি আহি ছাৰক 'Sir may I come in?' বুলি সোধে । সেইবাবে আইতা বুলি নাম দিয়া ইত্যাদি ইত্যাদি ছাৰৰ ধেমেলীয়া কথা বিলাক সদায়ে মনত ৰ'ব। অৱশেষত ছাৰৰ কৰ্মজীৱনৰ পিছৰ অৱসৰ জীৱনটো যেন সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু হওক সেইয়াই মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।।

# বিদায় পৰত শ্ৰদ্ধাৰ বিমল চন্দ্ৰ গগৈ ছাৰলৈ একলম

দ্বীপৰঞ্জন ফুকন
প্ৰাক্তন ছাত্ৰ (উদ্ভিদ বিজ্ঞান বিভাগ)

বিদায়, বিদায় শব্দটো বৰ নিষ্ঠুৰ, বেদনাৰে ভৰা। বছৰ বাগৰি, দিন বাগৰি সময়ৰ লগত খোজ মিলাই সময়ৰ আহ্বানত আহিল আমাৰ নামৰূপ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা উদ্ভিদ বিজ্ঞান বিভাগৰ মূৰব্বী মোৰ শ্ৰদ্ধাৰ বিমল চন্দ্ৰ গগৈ ছাৰৰ কৰ্মজীৱনৰ এই অৱসৰৰ দিনটো। বিৰামহীন কৰ্মময় জীৱনৰ অন্তিমটো দিন। অৱশেষত আপোন মানুহৰ চেনেহৰ বান্ধোনত আনন্দৰে শিক্ষা লাভ কৰাৰ পাছত আমিও আহি বিদায় বেলাত উপনীত হলোহি। ছাৰৰ মহান শিক্ষাদানে চিৰদিনলৈ ছাত্ৰ-ছাত্ৰীৰ মাজত পোহৰাই গ'ল শিক্ষাৰ উজ্জ্বল বন্তি। Time is not measured by clocks but by moments, It's the moments together we remember forever. সেই দিনা মোৰ নামৰূপ কলেজৰ প্ৰথম দিন। আমি সকলোৰে ১নং ৰোমত নিজৰ পৰিচয় দিছিলো। সেইদিনা মই প্ৰথম মোৰ শ্ৰদ্ধাৰ বিমল চন্দ্ৰ গগৈ ছাৰক দেখিছিলো। আমি উদ্ভিদ বিজ্ঞান বিভাগত মেজৰ লোৱা বুলি জানি ছাৰে আমাক উদ্ভিদ বিজ্ঞান বিভাগলৈ লৈ আহিছিল। আমি ছাৰৰ পিছে পিছে গৈছিলো। বিভাগ কক্ষত সোমাই ছাৰে মোৰ শ্ৰদ্ধাৰ

জয়ন্ত ছাৰৰ চিনাকি কৰাই দিছিল আৰু লগতে মোৰ জ্যেষ্ঠ দাদা-বাইদেউ সকলৰ লগত। ছাৰ আছিল আমাৰ বাবে এক পথপ্ৰদৰ্শক। আমি পঢ়ি থকা সময়ত ছাৰক এজন ৰঙীয়াল কৰ্তব্যত নিষ্ঠাবান ব্যক্তি হিচাপে পাইছিলো। তেওঁৰ পঢ়োৱাৰ ধৰণ আছিল নিখুত। ছাৰৰ ধেমালি সুৰেৰে বুজোৱা কথাবোৰ মই কেতিয়াও পাহৰিব নোৱাৰো। মই প্ৰথমে মহাবিদ্যালয়লৈ আহোতে বহু কথাই নাজানিছিলো সেইয়া পাঠ্যপুথিত থকাই হওঁক বা সামাজিক কথাই। সেয়েহে ছাৰে মোক কণীৰ পৰা ওলোৱা কুকুৰা পোৱালিৰ দৰে বুলি কৈছিল। মই নিজকে ভাগ্যৱান বুলি ভাবো কিয়নো মোৰ জীৱনত শ্ৰদ্ধাৰ বিমল চন্দ্ৰ গগৈ ছাৰক মোৰ শিক্ষাগুৰু হিচাপে পালো। ছাৰে অধ্যক্ষৰত কালছোৱাত কলেজখনৰ উন্নতিকৰণৰ বাবে যথেষ্ঠ অৱদান  আগবঢ়াই থৈ গ'ল। ছাৰে নামৰূপ কলেজৰ বাবে উচ্চৰ্গা কৰা এই মূল্যৱান সময় খিনি নামৰূপ কলেজ তথা নামৰূপ কলেজৰ লগত জৰিত সমূহ ব্যক্তি ছাৰৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ব। সময় বোঁৱতী নদীৰ সুতিৰ দৰে। সময়ক কোনেও ধৰি ৰাখিব নোৱাৰে। আজি আমি ছাৰক আনুষ্ঠানিকভাৱে বিদায় দিবলৈ লৈছো যদিও মনৰ পৰা কেতিয়াও বিদায় দিব নোৱাৰো। তেওঁৰ স্মৃতি আমাৰ মাজত সদায় থাকিব। তেওঁৰ চাকৰি জীৱন আজি সমাপ্ত হ'ল যদিও লগতে এইয়া নতুন জীৱনৰ আৰম্ভণিও আৰু এক মুক্ত জীৱন যাত্ৰাৰ প্ৰথম খোজ।

আগন্তুক দিনবোৰত ছাৰে আচনি লোৱা কামবিলাক ভবাৰ দৰে যেন সফল হয় আৰু লগতে ছাৰ এজন সুস্থ-সবল শৰীৰৰ গৰাকী হৈ ৰয়। মই ভগৱানৰ ওচৰত তাৰে কামনা কৰিছো।।

# বিদায়ী শ্ৰদ্ধাৰ শ্ৰীযুত বিমল চন্দ্ৰ গগৈ ছাৰলৈ দু-আষাৰ

শোমন কল্যাণ ৰাজকোঁৱৰ
পঞ্চম ষান্মাসিক ছাত্ৰ

যেতিয়া মই কলেজত নামভৰ্তি কৰিবলৈ গৈছিলো তাতে Conference room ত ছাৰক প্ৰথম দেখা পাইছিলো। যেতিয়া মই উদ্ভিদ বিজ্ঞান বিভাগত নামভৰ্তি কৰিম বুলি কৈছিলো তেতিয়া অতি আপোনভাৱে হাঁহি মুখেৰে কৈছিল আমাৰ ইয়ালৈ আহিছ, ভালকৈ পঢ়িবি। কলেজত আহি য'তে ত'তে ঘূৰি নুফুৰিবি। তেতিয়াৰ পৰাই ছাৰক কিবা আপোন আপোন লাগিছিল। কেতিয়াবা ছাৰে গালি দিছিল, কিন্তু সেই গালি বিলাকতো কিবা আপোনত্বই ভৰি আছিল। যেতিয়াই ছাৰক ক'ৰবাত বা কলেজৰ কোনো কোণত ছাৰক দেখা পাওঁ, তেতিয়া এইজন আমাৰ department ছাৰ, তেওঁৰ ছাত্ৰ বুলি ভাৱি নিজকে গৌৰৱ অনুভৱ কৰো। গুৰু শব্দৰ যেন উচিত উদাহৰণ, গাম্ভীৰ্য্যপূৰ্ণ আচৰণ আৰু দয়ালু। খুউব কম সময়ৰ বাবে ছাৰক কাষত পালো, যিহেতু Covid-19 ৰ বাবে কলেজ বন্ধ আছিল আৰু আকৌ যেতিয়া কলেজ আৰম্ভ হ'ল তেতিয়া ছাৰে ভাৰ-প্ৰাপ্ত অধ্যক্ষ পদৰ দায়িত্ব ল'ব লগা হ'ল। আৰু অলপ সময়ৰ বাবে ছাৰক কাষত পোৱা হ'লে ভাল আছিল। সময় বোলে কাৰো বাবে বৈ নাথাকে। আজি ছাৰৰ তেখেতৰ শিক্ষকতা জীৱনৰ পৰা বিদায় লোৱা

বেলাত মন বেয়া লাগিলেও ছাৰক আমি বিদায় দিবই লাগিব। তথাপি ছাৰৰ সানিধ্যত আমি যি অকণমান সময় পালো সেয়া মোৰ আৰু আমাৰ সকলোৰে বাবে এক ডাঙৰ আৰু মধুময় উপলদ্ধি। অজানিতে যদি কিবা ভুল কৰিছিলো সেই সকলো দোষ ক্ষমা কৰি দিয়ে যেন এয়ে আপোনাৰ ওচৰত সৰল মিনতি। বেদত মা-দেউতাক ভগৱানৰ তুল্য বুলি কৈছে আৰু তাতকৈ শ্ৰেষ্ঠ গুৰুক প্ৰদান কৰা হৈছে। আপুনি আপোনাৰ কাৰ্যকালত মোৰ লগতে অন্য সকলো ছাত্ৰ-ছাত্ৰীক আপোনাৰ জ্ঞানৰ পোহৰে উজ্বলাই তোলাৰ বাবে আপোনাক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। শেষত আপোনাৰ অৱসৰকালীন জীৱনৰ শুভ কামনা জনালোঁ।।

## -অনুভৱৰ একলম ---

শেৱালি কোঁৱৰ
তৃতীয় ষান্মাসিকৰ ছাত্ৰী

জীৱন এক যাত্ৰা, এক দৌৰ। এই যাত্ৰাতে বহুজনক লগ পাইছো, বহুজনক হেৰোৱাইছো। পোৱাৰ উল্লাসত হাঁহিছো, নোপোৱাৰ বেদনাত কান্দিছো। তেনেদৰেই মই নামৰূপ মহাবিদ্যালয়ত আহি বহুকেইগৰাকী অধ্যাপক লগ পালো। তাৰে মাজত এজন আছিল বিমল চন্দ্ৰ গগৈ ছাৰ। তেখেতক মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা দুবছৰ কাল শ্ৰেণীৰ অধ্যাপক হিচাপে পালো। ছাৰে কোৱা প্ৰত্যেকটো কথাই যেন মোৰ মনত তেখেতৰ প্ৰতিচ্ছবিক আৰু অকণমান সুন্দৰ কৰি তুলিছিল। তেখেতৰ পৰিস্কাৰ মনটোৱে সদায়েই তেখেতৰ প্ৰতি শ্ৰদ্ধা ভাৱ জাগ্ৰত কৰে। ডিগ্ৰী প্ৰথম ছেমিস্টাৰ পাওঁতেই যিহেতু তেখেতে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কৰ্মত জড়িত থাকিবলগীয়া হ'ল তাৰ বাবে আমাৰ ক্লাছসমূহ এৰিবলগীয়া হৈছিল। তথাপিও কৰ্মব্যস্ততাৰ ছাৰে উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব এৰা নাছিল। ছাৰে মাজে মাজে আহি আমাৰ খবৰ লৈছিল। ভালদৰে পঢ়িবলৈ উৎসাহ যোগাইছিল।

প্ৰকৃতাৰ্থত আশা আকাংক্ষা বিলাক সুপথেৰে পৰিচালিত কৰি মানৱ মনৰ অনুভূতিৰ বিকাশেৰে মানৱীয় গুণসম্পন্ন হৈ থকাটোৱেই যে প্ৰকৃত জীৱন তেখেতে আমাক শিকাইছিল।।




বিভাগীয় গ্ৰন্থ উন্মোচনী

